Non Profit Organisation

Centre for Koch Rajbanshi Studies and Development

H.No. 19 (GF), Ambari By-lane
Near AGP Head Office, Ambari
Guwahati - 1
Email: kochrajbanshicentre@gmail.com
Web: www.kochrajbanshicentre.org

# প্ৰেচ বিজ্ঞপ্তি

অহা ১০, ১১ আৰু ১২ জানুৱাৰীত গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলী কাননত অনুষ্ঠিত হ'বলগীয়া 'আৰবান উইনটাৰ ফেষ্টিফেল'ৰ লগত সংগতি ৰাখি "চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভলপমেণ্ট"ৰ উদ্যোগত 'দ্যা কোচ ৰাজবংশী- এ জাৰ্নি অব গ্লোৰী, দিগনিটি এণ্ড ষ্ট্ৰাগল ফ্ৰম ১২৫০ টু ২০১৩' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ১০ তাৰিখে বিয়লী তিনিটা বজাত মুকলি হ'বলগীয়া এই অনুষ্ঠানত কোচ ৰাজবংশীসকলৰ ইতিহাস, সংস্কৃতি আৰু অধিকাৰৰ আন্দোলন বিষয়ক আলোকচিত্ৰ প্ৰদৰ্শনীৰ লগতে বিভিন্ন পৰম্পৰাগত ঘৰুৱা সা-সজুলি প্ৰদান কৰা হ'ব। ইয়াৰোপৰি "চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভলপমেণ্ট"- এ বিভিন্ন সময়ত সংগ্ৰহ কৰা কোচ ৰাজবংশী বিষয়ক আপুৰুগীয়া গ্ৰন্থসমূহো এই অনুষ্ঠানতে ৰাইজৰ দৰ্শনৰ বাবে মুকলি কৰা হ'ব। কোচ বিহাৰ বিখ্যাত তৈলচিত্ৰও এই প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হ'ব। ১১ জানুৱাৰীৰ দিনাখন আগবেলা ১১ বজাত প্ৰদৰ্শনী প্ৰাংগনতে কোচ ৰাজবংশীৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে এখনি আলোচনা চক্ৰ আয়োজন কৰা হ'ব। এই আলোচনাত মূলত অসম আৰু উত্তৰ বংগৰ কোচ ৰাজবংশী যুৱ সমাজখনে অংশগ্ৰহণ কৰিব। একেই দিনাখন সন্ধ্যা কোচ ৰাজবংশীসকলৰ লোক নৃত্যও প্ৰদৰ্শন কৰা হ'ব। উক্ত তিনিওদিনাখনৰ কাৰ্যসূচীত সকলোকে নিমন্ত্ৰণ জনোৱা হ'ল।

"চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ্ এণ্ড্ ডেভলপমেণ্ট" কোচ ৰাজবংশীসকলৰ সামগ্ৰিক উন্নয়ন আৰু প্ৰকৃত গৱেষনাত ব্ৰতী। যোৱা বছৰৰ জুলাই মাহৰ পৰা কাম আৰম্ভ কৰা এই অনুষ্ঠানটোৱে ইতিমধ্যেই অসম আৰু উত্তৰ বংগৰ কোচ ৰা জবংশী অঞ্চলসমূহ ভ্ৰমণ কৰি বহুতো আপুৰুগীয়া গ্ৰন্থৰাজি সংগ্ৰহ কৰাৰ লগতে একাধিক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিছে। এই বছৰৰ মে মাহৰ পৰা অনুষ্ঠানটোৱে গৱেষক আৰু সাংবাদিকক কোচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে ফেলশ্বিপ প্ৰদানৰ যো-জা কৰিছে।

ধন্যবাদেৰে,

Arupjyoti Das

অৰূপজ্যোতি দাস
সঞ্চালক
চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ্ এণ্ড্ ডেভলপমেণ্ট

দিনাংকঃ জানুৱাৰী ৯, ২০১৩

Centre for Koch Rajbanshi Studies and Development is a non-profit organisation and registered under Indian Trust Act.
**Registration No: 11398/2012**